
# নিৰ্মোহ

কোৰখনৰে প্ৰথমটো চাব মাৰোতেই 'খটং'কৈ উঠা শব্দটো শুনি ৰৈ গ'ল নৰেশ্বৰ দাস। কোৰখন যেন কিহবাত লাগি ধৰিছে। অলপ টনা-আঁজোৰা কৰাৰ পাছতো কোৰখন ওলাই আহিব নোখোজাত মাটিত বহি পৰিল নৰেশ্বৰ। ক'তনো কিহত লাগি ধৰিল বুলি সি আঁঠুকাঢ়ি বহি কোৰখনৰ মাটিলৈ সোমাই যোৱা অংশটিলৈ চালে।

— জিতুমণি পাঠক



নৰেশ্বৰ দাসে ওচৰৰে চৰকাৰী অফিচটোত পিয়নৰ চাকৰি কৰে। থাকে অফিচৰ সন্মুখতে ভাৰাঘৰ এটাত। নৰেশ্বৰৰ সংসাৰত ঘৈণীয়েক আৰু ল'ৰা-ছোৱালী এহাল। সিহঁতকেইটাও লাহে লাহে ডাঙৰ হৈ আহিছে। পঢ়াশুনাত দুয়োটাই ভাল। সি নিজৰ সন্তান বুলি কোৱা কথা নহয়। সকলোৱে সিহঁতৰ শলাগ লয়। তাৰ ভগৱন্তৰ ওপৰত পৰম ভৰসা। সি ভাবে ভগৱানে সিহঁতক এদিন খুব ডাঙৰ মানুহ কৰি তুলিবই। সেয়েহে সিহঁতৰ যিকোনো কামৰ সফলতাত ভগৱানৰ ওচৰত শৰাই এখন দিয়া, পূজা এভাগ দিয়া কামবোৰ কৰিবলৈ কেতিয়াও নাপাহৰে।

নৰেশ্বৰ দাস বাহ্যিক জগতখনৰ আও-ভাও বুজি পোৱা মানুহ যদিও তাৰ সমস্ত জগতখন কিন্তু কেন্দ্ৰীভূত হৈ আছে কেৱল তাৰ পৰিয়ালটোক লৈ। তাৰ জীৱনত পৰিয়ালটোৱেই সদায় আগস্থান। ভগৱানৰ ওপৰতো গভীৰ আস্থা। আৰু সি ভাবে আজি সি জীৱনত পাইছে সকলো ভগৱানৰ আশীৰ্বাদৰ ফলত। নহ'লেনো সি সামান্য পিয়নৰ চাকৰি এটা কৰি ল'ৰা-ছোৱালীহালক এখন প্ৰাইভেট স্কুলত পঢ়োৱাৰ লগতে এই সৰু চহৰখনৰ এটা মূৰে একঠা তিনি লেচা মাটি কিনিব পাৰিলে হয়নে? প্ৰথমে সি ভাবিব পৰা নাছিল যে তাৰ এই সামান্য উপাৰ্জনৰে এই চহৰখনত এটুকুৰা মাটি কিনিব পাৰিব। কিন্তু ভগৱন্তৰ কৃপাত সকলো সম্ভৱ হৈ উঠিল। সি সদায় নেদেখা জনাৰ ওচৰত সেৱা জনাই থাকে যেন তাৰ ওপৰত সদায় এই কৃপাদৃষ্টি বৰ্ষিত হৈ থাকে।

মাটিডোখৰ লোৱাৰ পাছৰে পৰা ঘৈণীয়েকে সদায় কুটুৰি আছিল যে যিমান পাৰে সোনকালে বাউণ্ডেৰী ৱালখন দি ল'ব লাগে বুলি। কথাটোৰ গুৰুত্ব সিও নুবুজা নহয়। কিন্তু দিও বুলিয়েই দিবলৈ তাৰ হাতত এতিয়া ইমান টকা-সিকা নাই। সিদিনাখন ঘৈণীয়েকে ক'লে— নহ'লে কেইডালমান গছপুলিয়েই ৰুই নিদিয়ে কিয়। কথাষাৰ তাৰ গাত লাগিল। সেয়েহে সি আজি বন্ধৰ দিন বুলি হাতত কোৰ এখন আৰু পাচিটো লৈ বাৰীখনলৈ আহিছিল। নিজৰ মাটিডোখৰত ভৰি দিয়েই তাৰ এক অবুজ প্ৰশান্তিৰে দেহ-মন ভৰি পৰিল। এইডোখৰ, অকণমানেই হওক, তাৰ নিজৰ মাটি। জন্মৰ পাছৰে পৰা সি আৰ-তাৰ ঘৰত থাকিয়ে ডাঙৰ হৈছিল। নিজ এডোখৰ মাটি, নিজা এটা ঘৰ তাৰ বাবে কল্পনাৰো অগোচৰ আছিল। কিন্তু আজি, এতিয়া সি যিডোখৰ মাটিত থিয় হৈ আছে সেয়া তাৰ নিজৰ। একান্তই নিজৰ। সি অকণমান সময় চকু মুদি সেই কথাখিনি আকৌ এবাৰ অনুভৱ কৰিব চেষ্টা কৰিলে। তাৰ পিছতেই ভগৱানৰ নাম লৈ কোৰৰ প্ৰথমটো চাব মাৰিলে।

'খটং'কৈ উঠা শব্দটিৰ পিছত কোৰখন ক'ত লাগি ধৰিলে বুলি নৰেশ্বৰ দাসে যেতিয়া মাটিত বহি হাউলি আওৱাই গ'ল তেতিয়া তাৰ চকুৰ আগত যি উন্মোচিত হ'ল সি তাক স্তব্ধ-বিমূঢ় কৰি পেলালে। সি থৰথৰকৈ ঠাইডোখৰ চাফা কৰিবলৈ লাগি গ'ল। হয়, তাৰ কোৰখন মাটিৰ তলত পোতগৈ থকা শিৱমূৰ্তি এটাৰ ডিঙিত লাগি ধৰিছে। নৰেশ্বৰ লগে লগে মাটিত হাত-ভৰি এৰি দি বহি পৰিল। তাৰ গোটেই গাটো থৰথৰকৈ কঁপিবলৈ ধৰিলে। সি কি দেখিছে এয়া। তাৰ মাটিত স্বয়ং ভগৱান। সপোন নে দিঠক এয়া। বহুসময় ধৰি তাৰ গাটো কঁপিয়েই থাকিল। কঁপা কঁপা হাতেৰে সি দূৰৰ পৰা মূৰ্তিটোক সেৱাও জনালে।

নাজানে কিমান দেৰি সি শিল পৰা মানুহৰ দৰেই তাতে বহি থাকিল। জ্ঞান অহাত সি তাৰ পৰা উঠিল। তাৰ পাছত হাতৰ পাচিটোৰে মূৰ্তিটোৰ ওলাই থকা মূৰটো ঢাকি দি তাৰ ওপৰত কোৰখন থৈ পুনৰ এটা দীঘলীয়া সেৱা জনাই সি খৰ খোজেৰে ঘৰলৈ আগবাঢ়িল।

দিনটো বহুত অস্থিৰতাৰে পাৰ কৰিলে নৰেশ্বৰ দাসে। এবাৰ ভাবিলে ঘৈণীয়েকক ক'ব কথাটো। কিন্তু ঘৈণীয়েকে জনা মানেই কথাখিনি চুবুৰিটোত ৰাষ্ট্ৰ হৈ যাব। আজিকালি মানুহবোৰ যিমানে পাপ কৰিবলৈ লৈছে সিমানে ভগৱানৰ প্ৰতি ভয়ো আৰম্ভ হৈছে। গতিকে কথাটো গম পোৱাৰ লগে লগেই তালৈ যে লানি নিছিগা মানুহৰ সোঁত ব'ব সেয়া ধুৰুপ। কোনোবাই যদি তাৰ মাটিখিনিত মন্দিৰ বনোৱাৰ প্ৰস্তাৱ দিয়ে তেতিয়া? বহু কষ্টোপাৰ্জিত ধনৰে কিনা মাটি সেইকণ তাৰ। এবাৰ ভাবিলে অফিচৰে বৰবাবুক জনাব কথাটো। তেওঁ যুক্তিবাদী মানুহ। তাতে এই অঞ্চলটোৰ পুৰণি বাসিন্দা। তেওঁৰ কথা সকলোৱে শুনেও। তেওঁক যদি কোৱা যাই অন্ততঃ তেওঁ মূৰ্তিটো আন ঠাইত নি সংস্থাপন কৰাৰ হয়তো উপদেশ দিব। কথাটো ভাবি নৰেশ্বৰ দাসৰ মনটো অলপ পাতল পাতল লাগিল। গধূলি সময়ত যাব এপাক বৰবাবুৰ ঘৰলৈ। হঠাতে মনলৈ অহা আন এটা কথাই নৰেশ্বৰ দাসৰ মনটো আকৌ খেলি-মেলি লগালে। যোৱা বছৰ এই অঞ্চলটোৰ এঠাইত বহু প্ৰাচীন সামগ্ৰী উদ্ধাৰ কৰা হৈছিল। সেই ঠাইখন পাছত পুৰাতাত্ত্বিক বিভাগে অধিগ্ৰহণ কৰিছিল। বৰবাবুৱেও যদি তাৰ এই কথাটো পুৰাতত্ত্ব বিভাগক জনাই দিয়ে? নাই। সি আৰু একো ভাবিব নোৱাৰিলে। মূৰটো আকৌ তাৰ গৰম হৈ উঠিল। ঘৈণীয়েকে সিদিনাখন নৰেশ্বৰ দাসৰ আচহুৱা আচৰণ দেখি কিবা সুধিব খুজিছিল। সি কিন্তু যেনেকৈ তাইক ভেকাহি মাৰি উঠিল তাই থতমত খাই গ'ল। তাই ভাবি ওৰ নাপালে কোনোদিনে নেদেখা নৰেশ্বৰ দাসৰ এই ভিতৰৰ মানুহটো ক'ৰ পৰা ওলাল।

পিছদিনাখন দোকমোকালিতে নৰেশ্বৰ দাস ঘৰৰ পৰা ওলাই আহিল। ৰঙা পৰা চকু আৰু অপৰিপাটি সাজ-পোছাক দেখিলেই গম পোৱা যায় যে গোটেই ৰাতি তাৰ টোপনি নাহিল। খোজত কিন্তু তাৰ কিবা এটা দৃঢ়তাৰ আভাস। নিজৰ মাটিখিনিৰ সীমাত সোমায়ে নৰেশ্বৰ দাসে গৈ পাচিটোৰে ঢাকি থোৱা মূৰ্তিটোৰ ওচৰ পালেগৈ। সি প্ৰথমে কোৰখন হাতত লৈ লাহে লাহে পাচিটো আঁতৰালে। চকুৰ আগত জিলিক উঠিল শিৱ মূৰ্তিটো। সি কিছু সময় ধৰি চকু মুদি তাতে ৰৈ থাকিল। তাৰ পাছত সি হাতৰ কোৰখনৰ পিছমূৰটোৰে প্ৰচণ্ড জোৰেৰে শিৱমূৰ্তিটোৰ মূৰটোত আঘাত কৰিলে। 'খটং'কৈ হোৱা এটা প্ৰচণ্ড শব্দত মূৰ্তিটোৰ মূৰটো ছিঙি দূৰলৈ ছিটিকি পৰিল। সেই শব্দত চক খাই কাষৰ গছজোপাত থকা চৰাইৰ জাক এটিয়ে কোলাহল কৰি আকাশলৈ উৰা মাৰিলে। *ফোন : ৯৮৫৪০-১৮১১৭*